**REGIONAL NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 28-01-2025 **Time :** 1845 Hrs.

***Assamese Evening Bulletin***
***Headlines***

১।	বড়ো শান্তি চুক্তিৰ পঞ্চম বাৰ্ষিকীত অংশগ্ৰহণ কৰি মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাৰ বিশ্ববিদ্যালয়লৈ উন্নীত কৰা কোকৰাঝাৰ মহাবিদ্যালয়ৰ নতুন প্ৰশাসনিক ভৱনৰ আধাৰশিলা স্থাপন।

২।	হোজাইৰ ৰবীন্দ্ৰ নাথ ঠাকুৰ বিশ্ববিদ্যালয়ৰ দ্বিতীয় দীক্ষান্ত সমাৰোহত ২৩১ গৰাকী শিক্ষাৰ্থীক ডিগ্ৰী প্ৰদান।

৩।	কৃষক ছহিদ দিৱসৰ আজি অন্তিম দিনা দৰঙৰ পথৰুঘাটৰ কৃষক বিদ্ৰোহৰ স্মৃতি সুঁৱৰি ডাক বিভাগে প্ৰকাশ কৰা এটা বিশেষ ডাকটিকট মুকলি।

৪।	উমৰাংছ’ৰ তিন কিলোৰ কয়লাখনিত কেইবাগৰাকীও শ্ৰমিকৰ মৃত্যুৰ ঘটনাক লৈ গুৱাহাটী উচ্চ ন্যায়ালয়ৰ নিজাববীয়া ৰাজহুৱা স্বাৰ্থজড়িত গোচৰ ৰুজু।

**আৰু**

৫।	ডেৰাডুনৰ মহাৰাণা প্ৰতাপ ষ্টেডিয়ামত ৩৮ সংখ্যক ৰাষ্ট্ৰীয় ক্ৰীড়া আনুষ্ঠানিকভাৱে উদ্বোধন।

০০০০০০

বড়ো শান্তি চুক্তিৰ পঞ্চম বাৰ্ষিকী উপলক্ষে কোকৰাঝাৰত আয়োজিত অনুষ্ঠানত আজি মুখ্যমন্ত্ৰী ডং হিমন্ত বিশ্ব শৰ্মাই বিশ্ববিদ্যালয়লৈ উন্নীত কোকৰাঝাৰ মহাবিদ্যালয়ৰ নতুন প্ৰশাসনিক ভৱনৰ আধাৰশিলা স্থাপন কৰে। এই নতুন বিশ্ববিদ্যালয়খনক কৃত্ৰিম বুদ্ধিমত্তা, ৰব’টিকছ্ আদিৰ দৰে অত্যাধুনিক পাঠ্যক্ৰম অন্তৰ্ভুক্তিৰ জৰিয়তে উৎকৃষ্টতাৰ কেন্দ্ৰ হিচাপে গঢ়ি তোলাৰ প্ৰয়াস কৰা হৈছে। কোকৰাঝাৰ মহাবিদ্যালয়ক বিশ্ববিদ্যালয়লৈ উন্নীত কৰি সকলো আন্তঃগাঁথনিৰে পৰিপূৰ্ণ কৰি তুলিবলৈ ৰাজ্য চৰকাৰে ৫০ কোটি টকা সাহায্য ঘোষণা কৰিছে। এই অনুষ্ঠানতে মুখ্যমন্ত্ৰীয়ে হৰিণাগুৰিত নতুনকৈ নিৰ্মাণ কৰা বি টি চি ৰ কাৰ্যবাহী সদস্য আৰু পাৰিষদসকলৰ আবাসিক চৌহদো আনুষ্ঠানিকভাৱে মুকলি কৰে। ১০০ কোটি টকা ব্যয় সাপেক্ষে এই আবাসিক চৌহদটো নিৰ্মাণ কৰা হৈছে। অনুষ্ঠানত দিয়া ভাষণত মুখ্যমন্ত্ৰী শৰ্মাই কয়, যে বড়োসকলৰ সমৃদ্ধ ইতিহাস আৰু বৰ্ণিল লোক জীৱনে আমাৰ ইতিহাসক গৰিমা মণ্ডিত কৰি ৰাখিছে। বড়ো লোকসকলৰ উন্নয়নৰ বাবে বিটিআৰ চৰকাৰৰ লগতে ৰাজ্য চৰকাৰে পাৰ্যমানে সহায়-সহযোগ আগবঢ়াই আহিছে বুলি উল্লেখ কৰি মুখ্যমন্ত্ৰী ড০ শৰ্মাই কয়, যে এই খণ্ডত বিভিন্ন চৰকাৰী আঁচনি ৰূপায়ণৰ জৰিয়তে পথ, যোগাযোগ, শিক্ষা, স্বাস্থ্য আদিকে ধৰি অন্যান্য খণ্ডত ভালেখিনি উন্নয়ন সাধন কৰা হৈছে।

**বাইট (চি এম)** - ১

ড০ শৰ্মাই তেওঁৰ ভাষণত বিটিআৰৰ বিশিষ্ট শিল্পীসকলক সাংস্কৃতিক বঁটা প্ৰদান, ছহিদ তথা ভুক্তভোগী পৰিয়াললৈ অনুদান আগবঢ়োৱাৰ কথা উল্লেখ কৰে। অনুষ্ঠানত তেওঁ বড়োলেণ্ডক শিক্ষিত কৰা বিষয়ক এখন প্ৰতিবেদন মুকলি কৰাৰ লগতে বিটিআৰ চৰকাৰৰ ৪ বছৰৰ সাফল্য উদযাপন কৰে। এই অনুষ্ঠানৰ পাছত সাংবাদিকৰ সৈতে হোৱা কথা বতৰাত মুখ্যমন্ত্ৰীয়ে অহা ছেপ্তেম্বৰ-অক্টোবৰ মাহত বিটিআৰৰ নিৰ্বাচন অনুষ্ঠিত হোৱাৰ কথা প্ৰকাশ কৰে।

**বাইট (চি এম)** - ২

মুখ্যমন্ত্ৰীয়ে আজি বিটিআৰত বাথৌ পূজা উপলক্ষে সমূহীয়া প্ৰাৰ্থনাত অংশগ্ৰহণ কৰি বিটিআৰবাসীৰ শান্তি আৰু মংগলৰ বাবে প্ৰাৰ্থনা জনায়।

০০০০০০

ৰাজ্যৰ বিভিন্ন প্ৰান্তত আজি বড়ো-কছাৰী জনগোষ্ঠীৰ লোকসকলে পৰম্পৰাগত ৰীতি-নীতিৰে বাথৌ পূজা পালন কৰিছে। বড়ো-কছাৰী জনগোষ্ঠীৰ ঘাই দেৱতা বাথৌৰ আৰাধনাৰ বাবে বছৰত দুবাৰকৈ এই পূজাৰ আয়োজন কৰা হয়। এই পূজাত সিজু আৰু

তুলসী গছৰ দুটা ডাল একেলগ কৰি তাৰে বাথৌ বেদী সাজি পূজা কৰা হয়। পূজাত দেওধনী আৰু খেৰাই নৃত্য পৰিৱেশন কৰা হয়। এই পূজাৰ সৈতে বিভিন্ন লোকবিশ্বাস আৰু পৰম্পৰা জড়িত হৈ আছে। জানুৱাৰী আৰু ফেব্ৰুৱাৰী মাহৰ ভিতৰত আয়োজিত এই পূজা সাধাৰণতে মাঘৰ দ্বিতীয়টো মঙলবাৰে কৰা হয়। সদৌ বাথৌ মহাসভাৰ কোকৰাঝাৰ জিলা সমিতিয়ে কোকৰাঝাৰ নগৰৰ বাগানচালীত থকা থানচালীত এই পূজাৰ আয়োজন কৰে। বাথৌ দেৱতাক পূজা-অৰ্চনা কৰাৰ বাবে আজি পুৱাৰে পৰা অঞ্চলটোত অগণন লোকৰ সমাগম হয়।

বাক্সা জিলাৰ বিভিন্ন অঞ্চলতো আজি বাথৌ পূজাৰ আয়োজন কৰা হয়। শোণিতপুৰ জিলাৰ ঘোঁৰামাৰি খেলপথাৰত ঘোঁৰামাৰি আঞ্চলিক বাথৌ সন্থাই দিনজোৰা কাৰ্যসূচীৰে বাথৌ পূজা আয়োজন কৰে। এই পূজাত বড়ো সাহিত্য সভাৰ উপ-সভাপতি প্ৰশান্ত বৰ, ৰঙাপাৰা সমষ্টিৰ বিধায়ক কৃষ্ণ কমল তাঁতীকে ধৰি বহুকেইগৰাকী ব্যক্তি উপস্থিত থাকে।

০০০০০০০

হোজাইৰ ৰবীন্দ্ৰ নাথ ঠাকুৰ বিশ্ববিদ্যালয়ৰ দ্বিতীয় দীক্ষান্ত সমাৰোহ আজি মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱ চৌহদত অনুষ্ঠিত হয়। বিশ্ববিদ্যালয়খনৰ আচাৰ্য ৰাজ্যপাল লক্ষ্মণ প্ৰসাদ আচাৰ্য আৰু গুৱাহাটী বিশ্ববিদ্যালয় উপাচাৰ্য ডং ননী গোপাল মহন্তই বিশ্ববিদ্যালয়খনৰ পৰা কলা, বিজ্ঞান আৰু বাণিজ্য বিভাগত উত্তীৰ্ণ মুঠ ২৩১ গৰাকী শিক্ষাৰ্থীক ডিগ্ৰীৰ প্ৰমাণ পত্ৰ প্ৰদান কৰে। ইয়াৰ ভিতৰত তিনিগৰাকীক সোণৰ পদকসহ স্নাতকোত্তৰ ডিগ্ৰী লাভ কৰা শিক্ষাৰ্থীও আছে। অনুষ্ঠানত ভাষণ দি ৰাজ্যপাল আচাৰ্যই বিশ্ববিদ্যালয়সমূহ কেৱল ডিগ্ৰী প্ৰদানৰ অনুষ্ঠানতে সীমিত নাথাকি বৃত্তিমুখী শিক্ষাৰ কেন্দ্ৰৰূপে গঢ়ি তোলাত গুৰুত্ব আৰোপ কৰে। অনুষ্ঠানত মূল ভাষণ দি গুৱাহাটী বিশ্ববিদ্যালয়ৰ উপাচাৰ্য ডং ননীগোপাল মহন্তই বয়সৰ লেখেৰে কম হ'লেও ৰবীন্দ্ৰ নাথ ঠাকুৰ বিশ্ববিদ্যালয়ে ৰাজ্যখনৰ শৈক্ষিক ক্ষেত্ৰত নিজৰ স্বকীয় পৰিচয় দাঙি ধৰিবলৈ সমৰ্থ হৈছে বুলি মন্তব্য কৰে। অনুষ্ঠানত বিশ্ববিদ্যালয়খনৰ উপাচাৰ্য ডং মানৱেন্দ্ৰ দত্ত চৌধুৰী, বিধায়কদ্বয় ৰামকৃষ্ণ ঘোষ আৰু শিবু মিশ্ৰ, জিলা আয়ুক্ত বিদ্যুৎ বিকাশ ভাগৱতীকে ধৰি ভালেকেইগৰাকী বিশিষ্ট ব্যক্তি উপস্থিত আছিল।

০০০০০০০

পথৰুঘাটৰ কৃষক ছহিদসকলৰ সোঁৱৰণত দৰঙত তিনিদিনীয়াকৈ অনুষ্ঠিত ১৩১ সংখ্যক কৃষক ছহিদ দিৱসৰ আজি অন্তিম দিনা কৃষক বিদ্ৰোহৰ স্মৃতি সুঁৱৰি এটা বিশেষ ডাক টিকট মুকলি কৰা হয়। দৰং-ওদালগুৰি লোকসভা সমষ্টিৰ সাংসদ দিলীপ শইকীয়াই এই ডাক টিকট মুকলি কৰে। অনুষ্ঠানত অংশ লৈ কৃষি মন্ত্ৰী অতুল বৰাই বিগত সময়ছোৱাত কৃষি যান্ত্ৰিকীকৰণৰ ফলত ৰাজ্যৰ কৃষি খণ্ডত লাভ কৰা উল্লেখনীয় সাফল্যৰ বিষয়ে প্ৰকাশ কৰে। তেওঁ কয়, যে ২০২২-২৩ বৰ্ষত ৰাজ্যত উৎপাদিত প্ৰায় ৪ হাজাৰ কোটি টকা মূল্যৰ কৃষিজাত সামগ্ৰী বিদেশলৈ ৰপ্তানি কৰা হয়। মুখ্যমন্ত্ৰী কৃষি সমগ্ৰ যোজনাৰ অধীনত এক লাখ ৭০ হাজাৰ কৃষি সামগ্ৰী বিতৰণ কৰাৰ তথ্য প্ৰকাশ কৰি শ্ৰীবৰাই অধিক উপাৰ্জনৰ বাবে কৃষকসকলে গ্ৰহণ কৰিব পৰা ব্যৱস্থাসমূহত আলোকপাত কৰে। অনুষ্ঠানত বন আৰু পৰিৱেশ মন্ত্ৰী চন্দ্ৰমোহন পাটোৱাৰী, মঙলদৈৰ বিধায়ক বসন্ত দাস, দৰং জিলাৰ আয়ুক্ত পৰাগ কুমাৰ কাকতিকে ধৰি বহু কেইগৰাকী বিশিষ্ট ব্যক্তিয়ে অংশগ্ৰহণ কৰে। ইয়াৰ পূৰ্বে পুৱাৰ ভাগত বিশিষ্ট ব্যক্তিসকলে কৃষক ছহিদ সমাধিত শ্ৰদ্ধাঞ্জলি, ছহিদ তৰ্পণ কৰাৰ উপৰি সৰ্বধৰ্ম প্ৰাৰ্থনা সভাত অংশ লয়। অনুষ্ঠানৰ অংশ হিচাপে আজি সন্ধিয়া কৃষক সম্বৰ্ধনা, তথ্য চিত্ৰ প্ৰদৰ্শনী আৰু সাংস্কৃতিক কাৰ্যসূচীৰো আয়োজন কৰা হয়। কৃষক বিদ্ৰোহৰ তাৎপৰ্য সন্দৰ্ভত সবিশেষ জনাইছে মঙলদৈৰ পৰা আমাৰ সংবাদদাতা ময়ূখ গোস্বামীয়ে-

**ভইচ –– ময়ূখ গোস্বামী**

গুৱাহাটীৰ আমবাৰীতো আজি অসম কৃষক পৰিষদৰ মুখ্য কাৰ্যালয়ত কৃষক ছহিদ দিৱস পালন কৰা হয়। অনুষ্ঠানত অগপৰ সভাপতি তথা মন্ত্ৰী অতুল বৰাই অংশগ্ৰহণ কৰি পথৰুঘাটৰ বিদ্ৰোহত প্ৰাণ আহুতি দিয়া ছহিদসকলৰ প্ৰতি শ্ৰদ্ধা নিবেদন কৰে।

০০০০০০

০০০০০০

শিৱসাগৰ জিলাত দুদিনীয়া কাৰ্যসূচীৰে অনুষ্ঠিত সদৌ অসম ছাত্ৰ সন্থাৰ সাধাৰণ সভাৰ আজি অন্তিম দিনা তলাতল ঘৰৰ বাকৰিৰ পৰা এটা সাংস্কৃতিক শোভাযাত্ৰা উলিওৱা হয়। অসমৰ বাৰেৰহনীয়া সাংস্কৃতিক প্ৰতিফলিত কৰা এই শোভাযাত্ৰা লোক সংস্কৃতিৰ সাধক তথা শিক্ষাবিদ ড° অনিল শইকীয়াই উদ্বোধন কৰে। পুৱাৰ ভাগত আছুৰ মুখ্য উপদেষ্টা সমুজ্জ্বল ভট্টাচাৰ্য, সভাপতি উৎপল শৰ্মাকে ধৰি ছাত্ৰ সন্থাৰ সদস্যসকলে পথৰুঘাটৰ কৃষক বিদ্ৰোহত প্ৰাণ আহুতি কৃষক ছহিদসকলক সুঁৱৰি ছহিদ বেদীত বন্তি প্ৰজ্বলন কৰে। অনুষ্ঠানত সন্থাৰ সাধাৰণ সভা উপলক্ষে প্ৰকাশিত তিনিখন স্মৃতি গ্ৰন্থ উন্মোচন কৰা হয়। আমাৰ আগৰ বাতৰিতে কোৱা হৈছে যে সদৌ অসম ছাত্ৰ সন্থাৰ সাধাৰণ সভাৰ প্ৰতিনিধি সভাত কালি সংগঠনটোৰ পৰৱৰ্তী সাধাৰণ সম্পাদক হিচাপে সমীৰণ ফুকনক বাছনি কৰা হয়। প্ৰতিনিধি সভাই সংগঠনটোৰ বৰ্তমানৰ ভাৰপ্ৰাপ্ত সাধাৰণ সম্পাদক চৰ্জুন হাঞ্চেক উপ-সভাপতি হিচাপে মনোনীত কৰাৰ লগতে তিনিচুকীয়াৰ সমৰ গোহাঁই, চৰাইদেউৰ অনুপজ্যোতি ভূঞাক সহকাৰী সাধাৰণ সম্পাদক হিচাপে আৰু শোণিতপুৰৰ নয়নজ্যোতি গগৈক সাংগঠনিক সম্পাদক হিচাপে মনোনীত কৰে।

০০০০০০০

ৰাজ্য চৰকাৰে চলিত বৰ্ষত পুনৰ ৪০ৰ পৰা ৫০ হাজাৰ নিযুক্তি প্ৰদান কৰিব। মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই আজি হাউলীত এই কথা প্ৰকাশ কৰে। কোকৰাঝাৰৰ পৰা গুৱাহাটীলৈ উভতি অহাৰ পথত হাউলীৰ ৰাস মন্দিৰ পৰিদৰ্শন কৰি মন্ত্ৰীগৰাকীয়ে কয়, যে পঞ্চায়ত নিৰ্বাচন অনুষ্ঠিত কৰাৰ বাবে চৰকাৰ সাজু হৈ আছে আৰু উচ্চতৰ মাধ্যমিক চূড়ান্ত পৰীক্ষা শেষ হোৱাৰ লগে লগে এই নিৰ্বাচনৰ দিন ঘোষণা কৰা হ'ব।

০০০০০০০

ডিমা হাচাও জিলাৰ উমৰাংছ'ৰ কয়লাখনিত কেইবাজনো শ্ৰমিকৰ মৃত্যু হোৱাৰ ঘটনাক লৈ গুৱাহাটী উচ্চ ন্যায়ালয়ে এটা নিজাববীয়া ৰাজহুৱা স্বাৰ্থজড়িত গোচৰ ৰুজু কৰিছে। এই গোচৰটোৰ ভিত্তিত আজি শুনানি লৈ উচ্চ ন্যায়ালয়ৰ মুখ্য ন্যায়াধীশ বিজয় বিষ্ণই আৰু ন্যায়াধীশ কৌশিক গোস্বামীৰ খণ্ড বিচাৰপীঠে ৰাজ্যত এন্দুৰৰ গাঁত সদৃশ খনন বন্ধ কৰাৰ বাবে কি পদক্ষেপ গ্ৰহণ কৰিছে, সেই সন্দৰ্ভত ৰাজ্য চৰকাৰক প্ৰতিবেদন দাখিল কৰিবলৈ নিৰ্দেশ দিয়ে। শুনানি কালত মহাধিবক্তা দেৱজিৎ শইকীয়াই উমৰাংছ'ৰ কয়লাখনিত সংঘটিত ঘটনাৰ তদন্তৰ বাবে অৱসৰপ্ৰাপ্ত ন্যায়াধীশ অনিমা হাজৰিকাৰ নেতৃত্বত এজনীয়া আয়োগ গঠনকে ধৰি চৰকাৰে গ্ৰহণ কৰা অন্যান্য পদক্ষেপসমূহ ন্যায়ালয়ক অৱগত কৰে। ইয়াৰ পাছতে ন্যায়ালয়ত অহা ৭ ফেব্ৰুৱাৰীত গোচৰটোৰ পৰৱৰ্তী শুনানিৰ দিন ধাৰ্য কৰে। সেইদিনা চৰকাৰে এনেধৰণৰ খনন বন্ধ কৰাৰ বাবে গ্ৰহণ কৰা ব্যৱস্থাসমূহ সন্দৰ্ভত ন্যায়ালয়ত প্ৰতিবেদন দাখিল কৰিব লাগিব।

০০০০০০০

অহা ২৫ আৰু ২৬ ফেব্ৰুৱাৰীত গুৱাহাটীত হ'বলগীয়া এডভাণ্টেজ আছামৰ দ্বিতীয় সংস্কৰণৰ ভূমি পূজন কাৰ্যসূচী আজি অনুষ্ঠিত হয়। গুৱাহাটীৰ খানাপাৰাৰ অসম পশু চিকিৎসা মহাবিদ্যালয় খেলপথাৰত অনুষ্ঠিত এই কাৰ্যসূচীত মুখ্য সচিব ড০ ৰবি কোটা, অসম ঔদ্যোগিক উন্নয়ন নিগমৰ পৰিচালন সঞ্চালক মানবেন্দ্ৰ প্ৰতাপ সিঙকে ধৰি বহুকেইগৰাকী শীৰ্ষ বিষয়া উপস্থিত থাকে। এই অনুষ্ঠানত অংশগ্ৰহণ কৰিবলগীয়া বাণিজ্য প্ৰতিনিধি আৰু দেশৰ শীৰ্ষ স্থানীয় উদ্যোগপতি সকলক আতিথ্যৰ বাবে ৰাজ্য চৰকাৰে যাৱতীয় ব্যৱস্থা গ্ৰহণ কৰিছে। এই শীৰ্ষ সন্মিলনৰ জৰিয়তে ৰাজ্যৰ সামগ্ৰিক উন্নয়ন আৰু আন্তঃৰাষ্ট্ৰীয় বিনিয়োগৰ ক্ষেত্ৰত নতুন অধ্যায়ৰ সূচনা হোৱাৰ লগতে অৰ্থনৈতিক সম্ভাৱনা বৃদ্ধি কৰি উদ্যমী যুৱ সমাজৰ বাবে নতুন পথ প্ৰশস্ত হ'ব বুলি আশা কৰা হৈছে।

০০০০০০

অসম চৰকাৰৰ পৰিবহণ বিভাগৰ সৌজন্যত আৰু অল আছাম কেব অপাৰেটৰ্ছ ইউনিয়নৰ সহযোগত দুদিনীয়া কাৰ্যসূচীৰে অনুষ্ঠিত বিনামূলীয়া স্বাস্থ্য শিবিৰৰ আজি সামৰণি পৰে। গুৱাহাটীৰ নাৰেঙ্গীৰ কেন্দুগুৰি জ্যেষ্ঠ নাগৰিক উন্নয়ন সমিতিৰ প্ৰেক্ষাগৃহত অনুষ্ঠিত এই স্বাস্থ্য শিবিৰত অভিজ্ঞ চিকিৎসকৰ দ্বাৰা কেব চালক তথা পৰিয়ালৰ চকু, কাণ, ৰক্তচাপ আৰু মধুমেহৰ পৰীক্ষাৰ কৰাৰ লগতে বিনামূলীয়াকৈ চশমা, ঔষধ বিতৰণ কৰা হয়। উল্লেখযোগ্য যে কালি আৰম্ভ হোৱা এই স্বাস্থ্য শিবিৰ কামৰূপ মহানগৰ জিলাৰ পৰিবহণ বিষয়া হিমাংশু কুমাৰ দাস আৰু অল আছাম কেব অপাৰেটৰ্ছ ইউনিয়নৰ সভাপতি বিষ্ণু দাসে মুকলি কৰে।

০০০০০০

উত্তৰাখণ্ডৰ ডেৰাডুনৰ মহাৰাণা প্ৰতাপ ষ্টেডিয়ামত আজি ৩৮ সংখ্যক ৰাষ্ট্ৰীয় ক্ৰীড়াৰ উদ্বোধনী অনুষ্ঠান আৰম্ভ হৈছে। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে কিছু সময়ৰ পাছতে এই ৰাষ্ট্ৰীয় ক্ৰীড়া আনুষ্ঠানিকভাৱে উদ্বোধন কৰিব। অনুষ্ঠানত কেইবাগৰাকীও কেন্দ্ৰীয় মন্ত্ৰী, ভাৰতীয় অলিম্পিক সন্থাৰ বিষয়ববীয়া তথা ৰাষ্ট্ৰীয় খেলুৱৈ উপস্থিত আছে।

উত্তৰাখণ্ডৰ ৮ খন জিলাৰ ১১ খন নগৰত অহা ১৪ ফেব্ৰুৱাৰীলৈকে ৰাষ্ট্ৰীয় ক্ৰীড়াৰ খেলসমূহ খেলোৱা হ'ব। প্ৰতিযোগিতাত ৩৫ বিধ খেলৰ মুঠ ৪৭টা ইভেণ্ট থাকিব। আজিৰ উদ্বোধনী অনুষ্ঠানত অসমৰ দুজন আন্তৰ্জাতিক ক্ৰীড়াবিদ শ্বাটলাৰ অস্মিতা চলিহা আৰু উশ্বু খেলুৱৈ চানমা ব্ৰহ্মাই অসম দলৰ ধবজা বহন কৰিছে। অসম অলিম্পিক সন্থাৰ হৈ সম্পাদক লক্ষ্য কোঁৱৰে উদ্বোধনী অনুষ্ঠানত আমন্ত্ৰিত অতিথি হিচাপে ভাগ লৈছে। এইবাৰ ৰাষ্ট্ৰীয় ক্ৰীড়াত অসমে মুঠ ২২ বিধ খেলত অংশ ল'ব।

০০০০০০০

অসম ক্ৰিকেট একাডেমীলৈ ১৩ বছৰৰ অনুৰ্ধৰ ক্ৰিকেট খেলুৱৈক বাছনিৰ বাবে অসম ক্ৰিকেট সন্থাৰ উদ্যোগত আৰু বৰপেটা জিলা ক্ৰীড়া সন্থাৰ সহযোগত আজি বৰপেটাত এটা বাছনি শিবিৰৰ আয়োজন কৰা হয়। বৰপেটা পৌৰ সভা খেলপথাৰত অনুষ্ঠিত এই শিবিৰত বৰপেটা, বজালী, শোণিতপুৰ, বাক্সা, চিৰাং, বঙাইগাঁও, কোকৰাঝাৰ, ধুবুৰী আৰু গোৱালপাৰা জিলাৰ ৩৩১ গৰাকী খেলুৱৈয়ে অংশগ্ৰহণ কৰে। অসম ক্ৰিকেট সন্থাৰ শীৰ্ষ কৰ্মকৰ্তাৰ উপস্থিতিত সন্থাৰ কেইবাগৰাকী অভিজ্ঞ প্ৰশিক্ষকে শিবিৰত অংশগ্ৰহণ কৰা খেলুৱৈসকলৰ খেলৰ বিভিন্ন দিশ পৰীক্ষা কৰে। এই শিবিৰৰ পৰা ১৫ গৰাকী প্ৰতিভা সম্পন্ন খেলুৱৈক গুৱাহাটীত অনুষ্ঠিত হ'বলগীয়া চূড়ান্ত শিবিৰলৈ বাছনি কৰা হ'ব বুলি উদ্যোক্তাসকলে জানিবলৈ দিয়ে। নিৰ্বাচিত খেলুৱৈসকলে গুৱাহাটীত থকা অসম ক্ৰিকেট সন্থাৰ ক্ৰিকেট একাডেমীত উচ্চ প্ৰশিক্ষণৰ সুযোগ লাভ কৰিব।

০০০০০০০

**সমাপ্ত**